**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠক চলি আছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফৰ জোৱানসকলক অভিনন্দন জনাইছে।

৩। নতুন দিল্লীত আজি সন্ধ্যা বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে আনুষ্ঠানিকভাৱে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বীতা কৰিব বুলি ঘোষণা কৰিছে। যোৱা নিশা তেওঁ প্ৰাৰ্থীত্ব সম্বন্ধীয় প্ৰয়োজনীয় নথিপত্ৰত চহী কৰে।

*আৰু*

৫। মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠক চলি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৈঠকত অধ্যক্ষতা কৰিছে। এই বছৰৰ বৈঠকৰ বিষয়বস্তু হৈছে বিকশিত ভাৰত, ২০৪৭ আৰু এই বিষয়বস্তুৰ জৰিয়তে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাত কেন্দ্ৰীয় গুৰুত্ব দিয়া হৈছে।

এই বৈঠকত বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত আলোচনা কৰা হ'ব। নীতি আয়োগে প্ৰকাশ কৰা অনুসৰি এই পৰিচালন পৰিষদৰ বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি আৰু অংশীদাৰিত্ব শাসনৰ বিষয়ে আলোচনা কৰা হ'ব। ইয়াৰ জৰিয়তে গ্ৰাম্য আৰু নগৰাঞ্চলৰ বাসিন্দাসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। এই বৈঠকত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাজ্যসমূহে ল'বলগীয়া ভূমিকা সন্দৰ্ভতো বিস্তৃত আলোচনা হ'ব। আয়োগে লগতে প্ৰকাশ কৰে যে, মুঠ ঘৰুৱা উৎপাদন পাঁচ ট্ৰিলিয়ন আমেৰিকান ডলাৰ পাৰ কৰাৰ লক্ষ্য লৈ ভাৰত সম্প্ৰতি বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ দিশে আগবাঢ়িছে। লগতে ভাৰতে ২০৪৭ চনৰ ভিতৰত ৩০ ট্ৰিলিয়ন আমেৰিকান ডলাৰ অৰ্থনীতিত উপনীত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

প্ৰধানমন্ত্ৰী অধ্যক্ষ হিচাপে থকা নীতি আয়োগৰ আজিৰ পৰিচালন পৰিষদৰ বৈঠকত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপল সকলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীবৰ্গ, আয়োগৰ উপাধক্ষ্য সুমন বেৰী আৰু আয়োগৰ সদস্যসকল উপস্থিত আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফৰ জোৱানসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কৈছে যে, চি আৰ পি এফে দেশৰ প্ৰতি আগবঢ়োৱা ত্যাগ আৰু অনবদ্য সেৱা সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য। তেওঁ কয় যে, বাহিনীটোৰ জোৱানসকলে সদায় অসীম সাহস প্ৰদৰ্শন কৰি আহিছে আৰু দেশৰ সুৰক্ষাত অগ্ৰণী ভূমিকা লৈ আছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও চি আৰ পি এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোৰ কামৰ ভূয়সী প্ৰশংসা কৰিছে। তেওঁ লগতে চি আৰ পি এফৰ বিষয়া জোৱান আৰু তেওঁলোকৰ পৰিয়ালক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত গৃহমন্ত্ৰীগৰাকীয়ে কৈছে যে, ৰাষ্ট্ৰীয় সুৰক্ষাত চি আৰ পি এফে অগ্ৰণী ভূমিকা লৈ আহিছে। শ্ৰী শ্বাহে বাহিনীটোৰ জোৱানসকলৰ সাহসৰ প্ৰশংসা কৰি কয় যে, নিজৰ জীৱন বিপন্ন কৰিও তেওঁলোকে সদায় বিজয়ৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰি আহিছে।

oooooooo

নতুন দিল্লীত আজি সন্ধ্যা বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হ'ব। ভাৰতীয় জনতা পাৰ্টীৰ মুখ্য কাৰ্যালয়ত হ'বলগীয়া এই বৈঠকত দলৰ জ্যেষ্ঠ নেতাসকল উপস্থিত থাকিব। লোকসভা নিৰ্বাচন আৰু কেন্দ্ৰীয় বাজেট দাখিলৰ পাছত এই গুৰুত্বপূৰ্ণ বৈঠকৰ আয়োজন কৰা হৈছে। এই উচচস্তৰীয় বৈঠকত চৰকাৰী আঁচনিৰ অধিক ফলপ্ৰসূ ৰূপায়ণ, ৰাজ্যসমূহৰ কামৰ পৰ্যালোচনাৰ লগত অন্যান্য কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা কৰা হব।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বিশিষ্ট বিজ্ঞানী ভাৰতৰত্ন ড০ এ পি জে আব্দুল কালামৰ মৃত্যু বাৰ্ষিকীত তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী শ্বাহে কয় যে কঠোৰ পৰিশ্ৰম, সৰলতা আৰু সংবেদনশীলতাৰ সংমিশ্ৰণেৰে ভৰা প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ জীৱনে দেশবাসী বিশেষকৈ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। শ্ৰী শ্বাহে কয় যে, জনতাৰ ৰাষ্ট্ৰপতি হিচাপে সমাদৃত ড০ আব্দুল কালামে নিজৰ কামৰ জৰিয়তে সকলোকে উৎসাহিত কৰিছিল। ড০ আব্দুল কালামে সততা, সাহস আৰু কঠোৰ পৰিশ্ৰমৰ সহায়ত জীৱনৰ যিকোনো লক্ষ্যতে উপনীত হ'ব পৰা যায় বুলি প্ৰায়ে উল্লেখ কৰিছিল বুলি প্ৰকাশ কৰি গৃহমন্ত্ৰীগৰাকীয়ে পোষ্টটোত কয় যে তেওঁৰ এনে চিন্তাধাৰাই দেশৰ ভৱিষ্যৎ প্ৰজন্মক বাট দেখুৱাই যাব।

ooooooooo

কেন্দ্ৰীয় শাসিত জম্মু-কাশ্মীৰৰ কুপৱাৰা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ মাচাল ছেক্টৰৰ কামকাৰী অঞ্চলত এটা ফৰৱাৰ্ড পোষ্টত আজি সংঘটিত এটা গুলীচালনাৰ ঘটনাত দুজন সেনা জোৱান আহত হয়।

প্ৰতিৰক্ষা বিভাগৰ সূত্ৰই জনোৱা মতে এই ঘটনাত এজন পাকিস্তানী লোক নিহত হয়। ঘটনাটোৰ পাছতে আঞ্চলটোত সেনাৰ অভিযান অব্যাহত আছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন সাংসদ তথা বিজেপিৰ নেতা থিৰু মাষ্টাৰ মাথানৰ বিয়োগত গভীৰ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সমাজলৈ আগবঢ়োৱা সেৱা আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ বাবে কৰা কামৰ বাবে শ্ৰী মাথানক সকলোৱে মনত ৰাখিব। লগতে তামিলনাডুত

ভাৰতীয় জনতা পাৰ্টীৰ সাংগঠনিক দিশ সবল কৰাতো প্ৰয়াত মাথানে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহেও প্ৰাক্তন সাংসদগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, বাদুগা সম্প্ৰদায়ৰ অগ্ৰণী নেতা থিৰু মাষ্টাৰ মাথানে তামিলনাডুত দলক শক্তিশালী কৰাত অৰিহণা যোগাইছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব। প্ৰতিমাহে প্ৰচাৰিত এই অনুষ্ঠানৰ এয়া হ'ব ১১২ সংখ্যক খণ্ড। আনহাতে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত শ্ৰী মোদীৰ এয়া হ'ব মন কী বাতৰ দ্বিতীয়টো খণ্ড। এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপ যোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান পোনপটীয়াভাৱে এয়াৰ নিউজ, ডি ডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলটো শুনিবলৈ পোৱা যাব। আকাশবাণীয়ে এই অনুষ্ঠানৰ পাছতে আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে আনুষ্ঠানিকভাৱে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বীতা কৰিব বুলি ঘোষণা কৰিছে। যোৱা নিশা তেওঁ প্ৰাৰ্থীত্ব সম্বন্ধীয় প্ৰয়োজনীয় নথিপত্ৰত চহী কৰে। সামাজক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী হেৰিছে কয় যে, নৱেম্বৰত তেওঁ ৰাইজৰ ক্ষমতাৰে প্ৰচাৰ কৰি জয়লাভ কৰিব। তেওঁ লগতে কয় যে, প্ৰতিটো ভোট লাভৰ বাবে তেওঁ কঠোৰ পৰিশ্ৰম কৰিব।

আমেৰিকা যুক্তৰাষ্ট্ৰত চলিত বছৰৰ ৫ নৱেম্বৰত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত কমলা হেৰিছ বৰ্তমানৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ স্থলাষিভিক্ত হ'বলৈ ডেম'ক্ৰেটিক পাৰ্টীৰ প্ৰাৰ্থী হ'ব। দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামায়ো মুকলিকৈ শ্ৰীমতী হেৰিছৰ প্ৰাৰ্থীত্বক সমৰ্থন কৰিছে। শ্ৰী ওবামাই কৈছে যে, শ্ৰীমতী হেৰিছক ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়ী কৰাবৰ বাবে তেওঁ আৰু পত্নী মিছেল অবামাই যথাসম্ভৱ সকলো সহায় কৰিব।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ কেলিফ'ৰ্ণিয়াত সৃষ্টি হোৱা বছৰৰ এই পৰ্যন্ত সৰ্ববৃহৎ বনজুই নিয়ন্ত্ৰণৰ বাবে স্থানীয় প্ৰশাসনে চেষ্টা অব্যাহত ৰাখিছে। এই ভয়ংকৰ বনজুইত ১৩০ৰো অধিক ভৱন ধংস হোৱাৰলগতে হাজাৰ হাজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। যোৱা বুধবাৰে বিয়লি উত্তৰ-কেলিফ'ৰ্ণিয়াৰ ৰাজধানী মহানগৰ ছাক্ৰামেণ্ট'ৰ  সমীপৰ চিকৌৰ এইখন উদ্যানত আৰম্ভ হোৱা জুয়ে ভয়াবহ ৰূপ লৈ ৬৬০ বৰ্গ কিলোমিটাৰৰো অধিক অঞ্চললৈ বিয়য়ি পৰে। এই জুয়ে ইতিমধ্যে ১৩৪ টা ভৱন ধংস কৰিছে আৰু আন চাৰি হাজাৰ ২০০ ভৱনলৈ ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰশাসনে অগ্নি সংযোগ কৰাৰ অভিযোগত স্থানীয় এজন ৪২ বছৰীয়া লোকক গ্ৰেপ্তাৰ কৰিছে। বনজুইৰ পৰিপ্ৰেক্ষিতত কেলিফ'ৰ্ণিয়া প্ৰশাসনে গৃহহীন হোৱা কেইবাহাজাৰ লোকক উদ্ধাৰ কৰিছে।

০০০০০০০০০

মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত

কৰি ফাইনেলত প্ৰৱেশ কৰে। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ অধিনায়ক ছোমাৰি আঠাপথ্থুৱে সৰ্বাধিক ৬৩ ৰান কৰে আৰু তেওঁক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশত ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ৫৪টা বলতেই ৮১ ৰানৰ লক্ষ্যত উপনীত হৈ ভাৰতে খেলখনত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত কেৱল ৮০ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় অপেনাৰ স্মৃতি মন্ধানাই খেলখনত ৩৯টা বলত ৫৫ ৰান সংগ্ৰহ কৰে।

০০০০০০০০০

**সমাপ্ত**